মানুহবোৰে কিনো মাতিম?”

“কিয় এনেকৈ কৈছা? ব'লাচোন মোৰ লগত। গাড়ীখন দূৰত পাৰ্ক কৰি থোৱা আছে। তালৈকে যাওঁ” বুলি কৈ বাসন্তীক একপ্ৰকাৰ টানি নিয়াৰ দৰে লৈ গ'ল উৰ্মিলাই। টালি-টোপোলাখিনি আগৰ ছিটত দি দুয়ো পিছফালে বহিল। গাড়ী চলিবলৈ লওঁতে উৰ্মিলাই ক'লে—“কোৱাচোন কি হৈছে? কোনোবাই কিবা কৈছে নেকি?”

বৈ অহা চকুপানীখিনি হাতৰ তলুৱাৰে মোহাৰি বাসন্তীয়ে ক'লে—“জানা বৌ, সিদিনা মই বেংকলৈ যাওঁতে দাদাক লগ পাইছিলোঁ। দাদা বেংকৰপৰা ওলাই আহিছে। মই মাত দিলোঁ। দাদাই মুখখন ঘূৰাই দিলে। মই দাদাৰ গাত ধৰি মাতোঁতে খঙেৰে ক'লে—মোৰ গাত কিয় হাত দিছে? মইতো আপোনাক চিনি নাপাওঁ।” মই হাঁহি হাঁহি ক'লোঁ—“তইনো মোৰ লগত কিহৰ ধেমালি কৰ? ভনীয়েকক চিনি নোপোৱা ককায়েক তোকহে দেখিছোঁ দেই।” দাদাই কি ক'লে জানা বৌ—“আপুনি কোন মই নাজানো। আপোন মানুহৰ ভাও ধৰি টকা সৰকাবলৈ আহিছে! মই জানো নহয় আজিকালি মাইকী মানুহবোৰো ডকাইতিত নামিছে। গুচি যাওক, নহ'লে মই পুলিছক মাতিম। কথাখিনি কৈ বেগটো বুকুত সাবটি তেওঁ গুচি গ'ল। মানুহবোৰে আমালৈ চাইছে। বিশ্বাস কৰা বৌ, মই ইমান যে অপমানিত বোধ কৰিলোঁ বেংকৰ ভিতৰলৈ নগৈ মই গুচি আহিলোঁ। দাদাই মোক কিয় অপমান কৰিলে বৌ?” কথাখিনি কৈ তেওঁ আকৌ এবাৰ চকু দুটা মোহাৰিলে। স্তব্ধ হৈ গ'ল উৰ্মিলা। বাসন্তীয়ে কোৱা কথাবোৰ বিশ্বাস কৰিবলৈ টান পালে যদিও মনে মনে ভাবিলে বাসন্তীয়েনো মিছা কথা ক'ব কিয়! পলাশৰ ককায়েক-বৌৱেক গাঁৱৰ ঘৰত থাকে। পলাশ আৰু বাসন্তীৰ মাজত যি আত্মীয়তা বা মৰমৰ সম্পৰ্ক সেয়া বহুত ককায়েক-ভনীয়েকৰ মাজত দেখা নাযায়। দুয়ো একেখন চহৰতে থাকে। পলাশে প্ৰতিটো ভালপোৱা বস্তুৰে ভাগ বাসন্তীক দিয়ে। পূজা বা বিহুত ঘৰ-ঘৰোৱাহে কাপোৰ কিনি দিয়ে। তেওঁলোকৰ যৌথ পৰিয়াল। উপাৰ্জন কৰোঁতা অকল ভনীজোঁৱায়েক হেমন্ত। হেমন্তৰ মাক, বিধৱা বৌৱেকৰ ল'ৰা-ছোৱালী দুটা, বাসন্তীৰো দুজনী ছোৱালী, ল'ৰা এটা। মুঠতে ভালেমান মানুহ।

উৰ্মিলাই বাসন্তীৰ কান্ধত হাত থৈ ক'লে—“দাদাৰেচোন বেংকলৈ নাযায়ে। সিদিনা গৈছিল যদি কিবা টেনছনত আছিল চাগে। তুমি বেয়া নাপাবা। মই দাদাৰক লৈ অহা দেওবাৰে তোমালোকৰ ঘৰলৈ যাম দিয়া।”

বজাৰৰপৰা আহি উৰ্মিলাই পলাশক কথাখিনি কওঁতে তেওঁ ক'লে—“মই দেখোন আজিকালি বেংকলৈ নাযাৱেঁই। বাসন্তীকতো মই বহুদিন ধৰি লগেই পোৱা নাই। তাই মোৰ একমাত্ৰ ভনী। তাইক মই কিমান মৰম কৰোঁ তুমি জানাই। মইনো তাইক চিনি নোপোৱাৰ ভাও ধৰিম নে?”

উৰ্মিলাৰ মনটো বেয়া লাগি গ'ল। কোন সঁচা-কোন মিছা? কাকো দেখোন সন্দেহ কৰিব নোৱাৰি।

পলাশ ঘৰত নাই। দুপৰীয়া পাৰ হৈ গ'ল। তেওঁ মনোজক বিচাৰিবলৈ পঠিয়াই দিলে। মনোজে বিচাৰি নাপাই ঘূৰি আহিল। ইফালে ভাত খোৱাৰ সময় হৈছে। তেনেতে দুহাতত দুটা ভৰা বেগ লৈ হেপোৰ-তেপোৰকৈ ঘামি-জামি পলাশ ঘৰ সোমালহি। বেগ দুটা মজিয়াত থৈ উৰ্মিলাক ক'লে—“তুমি আনিবলৈ দিয়া সব বস্তু আনিছোঁ। মাছ-মাংসখিনি উলিয়াই ধুই থৈ দিয়া।”

“মইনো কেতিয়া তোমাক বজাৰ কৰিবলৈ ক'লোঁ?”

“কিয়? মাইনুহঁতক ভাত খাবলৈ মতা নাই জানো?” মাইনু বৰ্ণালীৰ ঘৰত মতা নাম।

“কোনে ক'লে মাইনুক ভাত খাবলৈ মাতিছোঁ বুলি? তাহাঁত থাকে তেজপুৰত। ভাত খাবলৈ মাতোঁ বুলিয়ে মাতিব পাৰি নে?”

“হেৰা তুমি নক'লে মই বজাৰলৈ কিয় যামহে? এতিয়া আনিলোঁ যেতিয়া ঘূৰাই দিব নোৱাৰি। তাতকৈ ভণ্টিৰ ঘৰৰ মানুহকে মাতি দিয়া। বহুদিন তাহাঁতকো লগ পোৱা নাই।

তাইক লগ নাপালে মোৰ মনটো বেয়া লাগি থাকেহে।”

উৰ্মিলাই গিৰিয়েকলৈ চালে। যোৱা দেওবাৰে দুয়ো বাসন্তীহঁতৰ ঘৰত দিনটো থাকি আহিছে। তেওঁ নিজে মাছ-মাংস কিনি নিছে। বাসন্তীয়ে বেংকত লগ পোৱা কথাবোৰ ককায়েকক কোৱা নাই। মাথোন মাজে মাজে ককায়েকৰ মুখলৈ চাই হুমুনিয়াহ কাঢ়িছে। সিদিনা কি হৈছিলবা! উৰ্মিলায়ো বাসন্তীক নিৰীক্ষণ কৰিছিল গোপনে।

আজিকালি পলাশ ফুৰিবলৈ বা পাৰ্কলৈ গ'লে উৰ্মিলাই মনোজক লগত পঠিয়াই দিয়ে। সময় পালে তেৱোঁ যায়।

সিদিনা বিমলাই চাহ বাকি দুয়োকে খাবলৈ মাতিলে। টেবুলৰ কাষত বহি পলাশে ক'লে—“চাহ দিছা যে? আজি ভাত ৰন্ধা নাই নেকি? ভাত কেতিয়া খাম?” উৰ্মিলাই ক'লে—“দুপৰীয়াচোন একেলগে ভাত খালোঁ। তোমাৰ মূৰত পাহৰা ভূতে লম্ভিছে হ'বলা।” কথাখিনি কৈ উৰ্মিলা ৰৈ গ'ল। হয়, পলাশে আজিকালি বহু কথা পাহৰিবলৈ লৈছে। ঘৰৰ ভিতৰত সোমাই কিবাকিবি বিচাৰি থাকে। প্ৰায়ে শৈশৱ, কৈশোৰৰ বন্ধু বা ঘটি যোৱা ঘটনাৰ কথা কয়। তেওঁৰ স্মৃতি চাৰণ বুলি কথাবোৰ আওকাণ কৰি আহিছে। উল্টা-পুল্টা কথা ক'লে—ধেমালি নকৰিবা বুলি আঁতৰি গৈছে।

চাকৰিয়াল পুতেক-বোৱাৰীয়েক নিজক লৈ সদা ব্যস্ত। তেওঁলোকৰ লগত বহি দুষাৰ কথা পাতিবলৈ সময় নাই। স্বাভাৱিক কথা। তেওঁ তাৰ বাবে বেয়া নাপায়।

উৰ্মিলাৰ গাটো জিকাৰ খাই উঠিল। কিবা এটা হৈছে মানুহজনৰ!

পলাশে পাৰ্কলৈ গৈ ভাল পায়। কেতিয়াবা নিজে লৈ যায় নাইবা মনোজৰ লগতে পঠিয়াই দিয়ে। সিদিনা মাকৰ অসুখ বুলি শুনি মনোজ ঘৰলৈ গ'ল। বতৰটো বেয়া বাবে দুদিন ধৰি ওলাব পৰা নাই। পাৰ্কলৈও যোৱা নাই। আজি বৰষুণ নাই। ৰ'দজাক চোকা হৈছে। দুপৰীয়াৰ সাঁজ খোৱাৰ পাছত পলাশে বিছনাত শুই টোপনি মাৰিছে। উৰ্মিলা তিনিমান বজাত গাটো ধোওঁ বুলি বাথৰুমত সোমাল। গা ধুই ওলাই আহি বিমলাক চাহ বহাবলৈ ক'লে। চাহ খাই আজি দুয়ো পাৰ্কলৈ যাব বুলি ভাবি তেওঁ ভাল কাপোৰ এসাঁজ পিন্ধি লৈ পলাশক জগাবলৈ গ'ল। ইফালে চাহ বাকি বিমলাই মাতি আছে।

উৰ্মিলাই বিছনাত পলাশক নেদেখি ইফালে-সিফালে বিচাৰিলে। প্ৰতিটো কোঠা, ঘৰৰ পিছফাল, আগফাল, পদূলি—ক'তো নাই পলাশ। চাহ-তাহ এৰি বিমলাক কৈ তেওঁ পাৰ্কলৈ বুলি ওলাই গ'ল। পাৰ্কৰ গে'টৰ ৰখীয়াজন চিনাকি হৈ গৈছে। সি ক'লে—“বাইদেউ আজি অকলে আহিলে যে ছাৰ নাহে নেকি?” উৰ্মিলাই ক'লে—“তেওঁ আজি আগতে অহা বুলি ভাবিছিলোঁ। অহা নাই নেকি বাৰু? মই ভিতৰলৈ গৈ চাই আহিব পাৰোঁনে?”

উৰ্মিলা পাৰ্কৰ ভিতৰলৈ গৈ চাৰিওফালে চাই উভতি আহিল। নাই, ঘৰলৈও অহা নাই পলাশ।

ছয় বজাৰ আগে আগে পুতেক-বোৱাৰীয়েক অফিছৰপৰা আহি পালে। সিহঁতে আহিয়ে ল'ৰা-ছোৱালী দুটাৰহে খবৰ লয়। স্বাভাৱিক কথা। উৰ্মিলাই বেয়া নাপায়। কিন্তু!

বিমলাই চাহ বাকি নিশান্ত আৰু নিশিতাক পাকঘৰলৈ মাতিলে। দুয়ো চাহ খাই থাকোঁতে মাক আহি নিশান্তক ক'লে—“দেউতাৰ ঘৰত নাই অ' বাপু। ক'লৈ গৈছে কৈয়ো যোৱা নাই।”

পুতেকে ক'লে—“পাৰ্কলৈ গৈছে চাগৈ।”

“পাৰ্কলৈ যোৱা নাই। মই চাই আহিলোঁ।”

“তেতিয়াহ'লে চাৰিআলিৰ পিনে গৈছে চাগৈ। আহিবলৈ দিয়া চাৰে ছয়হে বাজিল।”

“নহয় অ' বাপু দেউতাৰে আজিকালি কথাবোৰ পাহৰা হৈছে। সেয়ে চিন্তা লাগে।”

“কিনো কোৱাহে মা? সেয়া তোমাৰ মনৰ ভ্ৰম।”

“তহঁতে হয়তো কথাবোৰ মন কৰা নাই। তেওঁ এতিয়া প্ৰায়ে পুৰণি কথাবোৰ কয়। ঘৰৰ বাহিৰে-ভিতৰে কিবাকিবি বিচাৰি ফুৰে। খোৱাৰ পাছতো খাবলৈ নিদিলোঁ বুলি কয়। আৰু বহুত কিবাকিবি কয়।” পুতেকে হাঁহি ক'লে—“দেউতাই পুৰণি কথাবোৰ কৈ ভাল পায় বুলি জানোৱেই দেখোন। আৰু বয়স হ'লে মানুহে কথা পাহৰেই।